**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-12-2024
**Time :** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***
***-----------***

০০০০০০০

১। শাসকীয় আৰু বিৰোধী পক্ষই উত্থাপন কৰা অভিযোগ-প্ৰতি অভিযোগক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিৱেশৰ বাবে আজি একেৰাহে দ্বিতীয় সপ্তাহৰ বাবে লোকসভা আৰু ৰাজ্যসভাৰ কাৰ্য্য ক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

২। বিৰোধী দলৰ ঐক্যমঞ্চই আজি ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে সদনৰ কাম-কাজত পক্ষপাতিত্ব কৰাৰ অভিযোগ তুলি ৰাজ্যসভাৰ সচিব প্ৰধানৰ ওচৰত অনাস্থা প্ৰস্তাৱৰ জাননী দাখিল কৰে।

৩। দেশত ২০১৫ চনৰ তুলনাত ২০২৩ চনত যক্ষ্মা ৰোগৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২১ দশমিক ৪ শতাংশ হ্ৰাস পোৱা বুলি চৰকাৰে উল্লেখ কৰিছে।

৪। কেন্দ্ৰীয় চৰকাৰে শস্য, বতৰ আৰু পানীৰ তথ্য সংগ্ৰহৰ উদ্দেশ্যে দুহেজাৰ ৮১৭ কোটি টকা ব্যয়েৰে কেন্দ্ৰীয় মন্ত্ৰীসভাই ডিজিটেল কৃষি অভিযানৰ প্ৰস্তাৱত অনুমোদন দিয়া বুলি প্ৰকাশ কৰিছে।

***আৰু***

৫। ঐতিহাসিক অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে আজি সমগ্ৰ অসমত ছহিদ দিৱস পালন কৰা হয়।

০০০০০০০

শাসকীয় আৰু বিৰোধী পক্ষই উত্থাপন কৰা অভিযোগ-প্ৰতি অভিযোগক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিৱেশৰ বাবে আজি একেৰাহে দ্বিতীয় সপ্তাহৰ বাবে লোকসভা আৰু ৰাজ্যসভাৰ কাৰ্য্য ক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। কাৰ্য্যক্ৰমণিকা প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত লোকসভা দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কংগ্ৰেছ সদস্যসকলৰ আচৰণক লৈ তীব্ৰ আপত্তি দৰ্শায়। তেওঁ দলটোৰ সদস্যসকলে সদনৰ কাৰ্যক্ৰমণিকাত ব্যাঘাত জন্মোৱা বুলি অভিযোগ তুলি তেওঁলোকক ক্ষমা প্ৰাৰ্থনা কৰিবলৈ দাবী জনায়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটা সংস্থাৰ সৈতে

কংগ্ৰেছ দলৰ কেইবাগৰাকীও নেতাৰ ঘনিষ্ঠতা থকা বুলি অভিযোগ তুলি তেওঁ দলটোক এইক্ষেত্ৰত স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনায়।

ৰাজ্যসভাতো আজি আম আদমী পাৰ্টীৰ সাংসদ সঞ্জয় সিঙে দিল্লীৰ আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কত কেতবোৰ বিষয় উত্থাপনৰ চেষ্টা কৰে। সভাপতি জগদীপ ধনখড়ে সিঙৰ অনুৰোধৰ প্ৰতি কৰ্ণপাত নকৰাত বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে আৰু ফলত উচ্চ সদনৰ কাম-কাজো দিনৰ ১২ বজালৈকে স্থগিত ৰাখিবলীয়া হয়। ইয়াৰ পাছত দুপৰীয়া সদন পুনৰ মিলিত হোৱাৰ সময়তো ৰাজ্যসভাতো অনুৰূপ পৰিস্থিতিৰ সৃষ্টি হয়। ইয়াৰ আগতে সদনে প্ৰাক্তন বৈদেশিক পৰিক্ৰমা মন্ত্ৰী তথা কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এছ্‌ এম কৃষ্ণাৰ বিয়োগত শোক প্ৰকাশ কৰি তেওঁৰ আত্মাৰ সদ্গতিৰ বাবে মৌন প্ৰাৰ্থনা জনায়।

0000000

বিৰোধী দলৰ ঐক্যমঞ্চই আজি ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে সদনৰ কাম-কাজত পক্ষপাতিত্ব কৰাৰ অভিযোগ তুলি ৰাজ্যসভাৰ সচিব প্ৰধানৰ ওচৰত অনাস্থা প্ৰস্তাৱৰ জাননী দাখিল কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত কংগ্ৰেছ সাংসদ জয়ৰাম ৰমেশে এই কথা প্ৰকাশ কৰি কয়, যে ৰাজ্যসভাৰ সভাপতিৰ বিৰুদ্ধে আনুষ্ঠানিকভাৱে অনাস্থা প্ৰস্তাৱ দাখিল কৰাৰ বাহিৰে আন কোনো বিকল্প নাছিল। সংসদীয় গমতন্ত্ৰৰ স্বাৰ্থত বিৰোধীয়ে এই পদক্ষেপ গ্ৰহণ কৰিছে বুলি কংগ্ৰেছ সাংসদগৰাকীয়ে প্ৰকাশ কৰিছে।

0000000

স্বচ্ছ ভাৰত গ্ৰামীণ অভিযানৰ অধীনত সমগ্ৰ দেশৰ গাঁওসমূহৰ মুকলিত মল ত্যাগ অভ্যাসৰ বিৰুদ্ধে চলোৱা অভিযানৰ অধীনত চলিত বৰ্ষৰ নৱেম্বৰ পৰ্য্যন্ত এহেজাৰ ৮৬৯ কোটিৰো অধিক টকাৰ সাহায্য কেন্দ্ৰৰ অংশীদাৰিত্ব হিচাপে মুকলি কৰি দিয়া হয়। আজি লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত গ্ৰামোন্নয়ন মন্ত্ৰালয়ে এই তথ্য সদৰী কৰে। মল নিষ্কাষণ, মল পৰিষ্কৰণ আৰু বৰ্জিত পানী পৰিশোধনৰ বাবে এম জি এনৰেগাৰ অধীনত এই ধন ব্যয় কৰা হৈছে। এতিয়ালৈ ৫৬ লাখৰো অধিক ব্যক্তিগত শৌচাগাৰ, প্ৰায় ১৪ লাখ বিদ্যালয় আৰু অংগনৱাড়ী শৌচাগাৰৰ লগতে ৬৪ হাজাৰ সমূহীয়া অনাময় প্ৰকল্প নিৰ্মাণ কৰা হৈছে।

0000000

কেন্দ্ৰীয় চৰকাৰে এম জি এনৰেগা আঁচনিৰ ৯৭ শতাংশৰো অধিক ধন আধাৰ ধনাদায় ব্ৰীজ ব্যৱস্থাৰে কৰা হৈছে বুলি প্ৰকাশ কৰিছে। লোকসভাত আজি এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰি কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সময়ছোৱাত এম জি এনৰেগাৰ অধীনত লেন-দেন হোৱা ৩৫ কোটিৰো অধিক টকাৰ ভিতৰত প্ৰায় ৩৪ হাজাৰ ৪৫ লাখ কোটি টকা আধাৰ ধনাদায় ব্ৰীজ ব্যৱস্থাৰে প্ৰদান কৰা হৈছে।

0000000

দেশত ২০১৫ চনৰ তুলনাত ২০২৩ চনত যক্ষ্মা ৰোগৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২১ দশমিক ৪ শতাংশ হ্ৰাস পোৱা বুলি চৰকাৰে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে আজি ৰাজ্যসভাত এটা লিখিত উত্তৰত এই কথা সদৰী কৰে। তেওঁ কয়, যে বিগত ৮ বছৰত প্ৰতি লাখ লোকৰ বিপৰীতে যক্ষ্মা ৰোগত আক্ৰান্ত লোকৰ সংখ্যা ২৮ৰ পৰা ২২লৈ হ্ৰাস পাইছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে শস্য, বতৰ আৰু পানীৰ তথ্য সংগ্ৰহৰ উদ্দেশ্যে দুহেজাৰ ৮১৭ কোটি টকা ব্যয়েৰে কেন্দ্ৰীয় মন্ত্ৰীসভাই ডিজিটেল কৃষি অভিযানৰ প্ৰস্তাৱত অনুমোদন দিয়া বুলি প্ৰকাশ কৰিছে। লোকসভাত আজি এটা লিখিত উত্তৰত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যসমূহৰ পৰা কৃষি সম্পৰ্কীয় গুৰুত্বপূৰ্ণ তথ্য আহৰণ কৰাৰ বাবে ব্যাপক সহযোগিতাৰ ব্যৱস্থা কৰা হৈছে। তেওঁ লগতে কয়, যে মোদী চৰকাৰৰ তৃতীয় কাৰ্য্যকালৰ ১০০ দিনৰ ভিতৰত খেতিয়কসকলৰ বাবে ভালেমান উল্লেখনীয় পদক্ষেপ লোৱা হৈছে। কৃষি ক্ষেত্ৰৰ ষ্টাৰ্ট-আপ আৰু গ্ৰাম্য উদ্যমৰ প্ৰসাৰৰ বাবে ৭৫০ কোটি টকাৰে এগ্ৰিছিয়ৰ পুঁজি আৰম্ভ কৰা হৈছে বুলি কেন্দ্ৰীয় কৃষি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে প্ৰায় ৮ হাজাৰ কৃষক উৎপাদক সংস্থাক ডিজিটেল বাণিজ্যৰ বাবে সাজু কৰি তোলা হৈছে।

০০০০০০০

আই ফ'ৰ চি অৰ্থাৎ চিটিজেন ফাইনেন্সিয়েল চাইবাৰ ফ্ৰড ৰিপ'ৰ্টিং এণ্ড মেনেজমেণ্ট ছিষ্টেমৰ অধীনত বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ সহযোগত সন্দেহযুক্ত চাইবাৰ অপৰাধী চিনাক্ত কৰ্তাৰ পঞ্জীয়ন আৰম্ভ কৰা হৈছে। আজি লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত গৃহ পৰিক্ৰমা ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে কয়, যে এই ব্যৱস্থাৰ ফলত ৫ লাখ ৬০ হাজাৰতকৈ অধিক প্ৰবঞ্চনামূলক লেন-দেন ৰোধ কৰি জনসাধাৰণৰ এহেজাৰ ৪০০ কোটিতকৈ অধিক টকা ৰক্ষা কৰিব পৰা গৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে চাইবাৰ অপৰাধৰ মূল কেন্দ্ৰসমূহ চিনাক্ত কৰি অবাধ চাইবাৰ জালিয়াতী আৰু অভিযোগসমূহ কমাই আনিবৰ বাবে কেইবালানিও ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয়, যে চাইবাৰ অপৰাধীৰ মূল কেন্দ্ৰ আৰু  বহু ন্যায়িক সমস্যা থকা অঞ্চলৰ ওপৰত ভিত্তি কৰি  সমগ্ৰ দেশক সামৰি হাৰিয়াণাৰ মেৱাত, ঝাৰখাণ্ড জামতাৰা, আহমেদাবাদ, হায়দৰাবাদ, চণ্ডীগড়, বিশাখাপট্টনম আৰু গুৱাহাটীৰ বাবে ৭ টা যুটীয়া চাইবাৰ সমন্বয় দল গঠন কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই  জে চি চিটিৰ অধীনত বিভিন্ন প্ৰাদেশিক আইন প্ৰয়োগকাৰী সংস্থাৰ মাজত সমন্বয়ৰ পৰিকাঠামো  বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত প্ৰশাসন অধিক স্বচ্ছ আৰু নাগৰিককেন্দ্ৰিক হোৱা বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি কেন্দ্ৰীয় তথ্য আয়োগৰ ষোড়শ বাৰ্ষিক সন্মিলন সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ২০১৮ চনলৈকে কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ ৮০ শতাংশৰো অধিক কাৰ্য্যালয়ৰ কাম-কাজ অনলাইন মাধ্যমেৰে সম্পন্ন কৰাৰ ব্যৱস্থা কৰি তোলা হৈছে। তেওঁ কয়, যে বিগত ১০ বছৰত তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত দাখিল কৰা অভিযোগ বৃদ্ধি পোৱাৰ পৰা প্ৰশাসনৰ স্বচ্ছতা, ফলপ্ৰসূ অভিযোগ নিষ্পত্তি আৰু জনসাধাৰণৰ আস্থা প্ৰতিফলিত হৈছে। এই উপলক্ষে মুখ্য তথ্য আয়ুক্ত হীৰালাল ছমাৰিয়াই কয়, যে ৰাজ্যিক তথ্য আয়োগে জনসাধাৰণৰ মাজত তথ্য জনাৰ আইনৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে ভালেমান কৰ্মশালাৰ আয়োজন কৰিছে।

০০০০০০০

ঐতিহাসিক অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে আজি সমগ্ৰ অসমত ছহিদ দিৱস পালন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শোণিতপুৰ জিলাৰ জামুগুৰিহাটত ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজিত ছহিদ দিৱসত অংশগ্ৰহণ কৰে। ১৫৯ টা ছহিদ পৰিয়ালক সম্বৰ্ধনা জনায়। ড° শৰ্মাই ছহিদৰ আদৰ্শৰে সকলোকে আগুৱাই যোৱাত গুৰুত্ব আৰোপ কৰে। তেওঁ অসমক আত্মনিৰ্ভৰশীল হৈ উঠাত অংশগ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী অসম গণ পৰিষদৰ সভাপতি অতুল বৰাৰ লগতে ভালেকেইগৰাকী মন্ত্ৰী তথা সাংসদে অংশগ্ৰহণ কৰে।

অসম আন্দোলনৰ অন্যতম উদ্যোক্তা সদৌ অসম ছাত্ৰ সন্থাই আজি গোৱালপাৰা জিলাৰ বগুৱান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ছহিদ দিৱস পালন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ছহিদ দিৱস উপলক্ষে অসম আন্দোলনৰ ছহিদসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। শ্ৰীমোদীয়ে তেওঁৰ বাৰ্তাত কয়, যে ছহিদ দিৱস অসম আন্দোলনৰ প্ৰতি নিজকে উৎসৰ্গিত কৰাসকলৰ সাহস আৰু ত্যাগৰ কথা স্মৰণ কৰাৰ এটা উপলক্ষ। তেওঁ কয়, যে ছহিদসকলৰ দৃঢ় সংকল্প আৰু নিঃস্বাৰ্থ প্ৰচেষ্টাই অসমৰ অনন্য সংস্কৃতিৰ পৰিচয় সংৰক্ষণ কৰাত সহায় কৰি আহিছে। তেওঁলোকৰ অদম্য সাহসে সকলোকে উন্নত অসম গঢ়াৰ দিশত কাম কৰি যাবলৈ অনুপ্ৰেৰণা যোগাই আহিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ছহিদসকলৰ ত্যাগৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিজৰ বাৰ্তাত অসমৰ স্বকীয় পৰিচয়, সংস্কৃতি আৰু ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ গুৰুত্বপূৰ্ণ অৱদানৰ কথা দোহাৰে।

০০০০০০০

সমাপ্ত